দেশ

ধৰ্মীয় অনুষ্ঠানত পশু বলি বন্ধৰ আবেদন খাৰিজ সৰ্বোচ্চ ন্যায়ালয়ৰ

ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ নামত পশু হত্যা বন্ধ কৰাৰ দাবীত দাখিল কৰা আবেদন বুধবাৰে খাৰিজ কৰিছে সৰ্বোচ্চ ন্যায়ালয়ে।

প্ৰকাশ: ১৮ নৱেম্বৰ ২০২৬, আবেলি ৬:২৬



Supreme Court (Social Media)

নতুন দিল্লী, ১৮ নৱেম্বৰ: ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ নামত পশু হত্যা বন্ধ কৰাৰ দাবীত দাখিল কৰা আবেদন খাৰিজ কৰিছে সৰ্বোচ্চ ন্যায়ালয়ে।

বুধবাৰে ন্যায়াধীশ বিক্ৰম নাথ, আৰ. মহাদেৱন আৰু অপৰেশ কুমাৰ সিঙৰ বিচাৰপীঠে আবেদনকাৰীৰ যুক্তি শুনাৰ পিছত এই সিদ্ধান্ত গ্ৰহণ কৰে।

অধিবক্তা শ্রুতি বিষ্টে দাখিল কৰা আবেদনখনত ১৯৬০ চনৰ পশুৰ প্রতি নিষ্ঠুৰতা প্রতিৰোধ আইনখনৰ সংশ্লিষ্ট বিধান সংশোধনৰ নির্দেশ বিচৰা হৈছিল। আইনখনত ধর্মীয় আচাৰ-অনুষ্ঠান বা পৰম্পৰাৰ অংশ হিচাপে পশু হত্যা কৰাৰ ক্ষেত্রত বিশেষ ৰেহাইৰ ব্যৱস্থা আছে।

আবেদনকাৰীয়ে এই ৰেহাইৰ বিধান সংশোধন কৰি ধর্মীয় অনুষ্ঠানত পশু হত্যা বন্ধ কৰাৰ দাবী জনাইছিল। আবেদনখনত কোৱা হৈছিল যে, ধর্মীয় বলিৰ প্রথা পূর্বৰ তুলনাত হ্রাস পালেও দেশৰ বিভিন্ন অঞ্চলত এতিয়াও এই প্রথা চলি আছে।

হিমালয় অঞ্চল, উত্তৰ-পূব ভাৰত, ওড়িশা, পশ্চিমবংগ, মহাৰাষ্ট্র আৰু দক্ষিণ ভাৰতৰ বিভিন্ন স্থানত ধর্মীয় অনুষ্ঠানৰ নামত পশু হত্যা কৰা হয় বুলিও আবেদনখনত উল্লেখ কৰা হৈছিল। আবেদনকাৰীৰ মতে, ধর্মৰ নামত পশু হত্যা কৰাৰ প্রথাই ভাৰতীয় সংবিধানৰ ২১ নং অনুচ্ছেদত উল্লেখিত জীৱনৰ অধিকাৰ উলংঘা কৰে।

ইয়াৰ পূর্বে সর্বোচ্চ ন্যায়ালয়ে এই বিষয়ত কেন্দ্রীয় পশুপালন মন্ত্রালয়ৰ পৰা উত্তৰ বিচাৰিছিল। বুধবাৰৰ শুনানিত বিচাৰপীঠে একে বিষয়ত হস্তক্ষেপ বিচাৰি আন পক্ষই জনোৱা আবেদনো গ্রহণৰ অনুমতি নিদিলে।

বিচাৰপীঠে স্পষ্ট কৰি দিয়ে যে, এই বিষয়ত নিজৰ বক্তব্য দাঙি ধৰিব বিচৰা পক্ষসমূহে পৃথকে আবেদন দাখিল কৰিব পাৰিব। এই সিদ্ধান্তৰ জৰিয়তে ধর্মীয় আচাৰ-অনুষ্ঠানত পশু বলি বন্ধ কৰাৰ দাবীত দাখিল কৰা বর্তমানৰ আবেদনখনৰ আইনী প্রক্রিয়াৰ সামৰণি পৰিল।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4220/supreme-court-religious-animal-sacrifice-petition